# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-12-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কালি সন্ধিয়া নতুন দিল্লীত উপস্থিত হয়।

২। নতুন দিল্লীত কালি ভাৰত-ৰাছিয়া আন্তঃ চৰকাৰী সামৰিক আৰু সামৰিক কাৰিকৰী সহযোগিতা আয়োগৰ ২২ সংখ্যক বৈঠক অনুষ্ঠিত হয়।

৩। সংসদত কালি কেন্দ্ৰীয় আবকাৰি শুল্ক সংশোধনী বিধেয়ক ২০২৫ গৃহীত হয়।

*আৰু*

৪। প্ৰবাসী ভাৰতীয়সকলৰ সুৰক্ষা, নিৰাপত্তা আৰু কল্যাণৰ বাবে চৰকাৰে সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়ে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে প্ৰকাশ কৰিছে।

ooooo

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কালি সন্ধিয়া নতুন দিল্লীত উপস্থিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনায়। আজি পুৱা ৰাষ্ট্ৰপতি ভৱনত ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হ'ব। তাৰপাছত  পুটিনে ৰাজঘাটত পুষ্পাঞ্জলি অৰ্পণ কৰি মহাত্মা গান্ধীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। আজি হায়দৰাবাদ হাউছত শ্ৰীমোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকী আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰিব। ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণৰ সময়ত বাণিজ্য, অৰ্থনীতি, স্বাস্থ্য যতন, শিক্ষা, সংস্কৃতি আদিকে ধৰি বিভিন্ন খণ্ডত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পুটিনৰ সন্মানাৰ্থে ভোজমেলৰ আয়োজন কৰিছে। এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ বিশেষ আৰু কৌশলগত অংশীদাৰিত্বক শক্তিশালী কৰাৰ লগতে দুয়োগৰাকী নেতাক দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ সন্দৰ্ভত পৰ্যালোচনাৰ সুযোগ দিব।

ৰাষ্ট্ৰসংঘ, জি-২০, ব্ৰিকছ্ আৰু ছাংহাই সহযোগিতা সংস্থা আদিৰ দৰে কেইবাটাও বহুপাক্ষিক মঞ্চত ভাৰত আৰু ৰাছিয়াই সহযোগিতা স্থাপন কৰে। ২০২৩ চনত জি-২০ আৰু ছাংহাই সহযোগিতা সংস্থাত ভাৰতৰ সভাপতিত্ব তথা ২০২৪ বৰ্ষত ব্ৰিকছত ৰাছিয়াৰ সভাপতিত্বই দুয়োখন দেশৰ মাজত থকা পাৰস্পৰিক সমৰ্থনৰ জৰিয়তে এই সহযোগিতা অধিক শক্তিশালী হৈ উঠিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদৰ বাবে ভাৰতৰ প্ৰাৰ্থীত্বৰ প্ৰতি ৰাছিয়াই ধাৰাবাহিকভাৱে সমৰ্থন আগবঢ়াই আহিছে। বিগত ৭৮ বছৰত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় আৰু সুস্থিৰ হৈ আছে। পৰম্পৰাগত সামৰিক,

পাৰমাণৱিক সহযোগিতাৰ উপৰিও বিভিন্ন খণ্ডত দুয়োখন দেশৰ মাজত শক্তিশালী সহযোগিতা অব্যাহত আছে।

ooooo

ৰাছিয়াক ভাৰতৰ বিশেষ আৰু কৌশলগত অংশীদাৰ বুলি অভিহিত কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে গোলকীয় অনিশ্চয়তাৰ মাজতো ভাৰত-ৰাছিয়াৰ সম্পৰ্ক গভীৰ হৈয়েই আছে। নতুন দিল্লীত ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰেই বেলুছ'ভৰ সৈতে সামৰিক আৰু সামৰিক কাৰিকৰী সহযোগিতাৰ ২২ সংখ্যক ভাৰত-ৰাছিয়া আন্তঃচৰকাৰী আয়োগৰ মন্ত্ৰী বৈঠকৰ সহ-অধ্যক্ষতা কৰাৰ সময়ত তেওঁ এইদৰে কয়। শ্ৰীসিঙে কয় যে ২০০০ চনত ভাৰত-ৰাছিয়া কৌশলগত অংশীদাৰিত্ব ঘোষণা পত্ৰ স্বাক্ষৰিত হোৱাৰ পিছৰে পৰা দুয়োখন ৰাষ্ট্ৰৰ মাজত দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা যথেষ্ট বৃদ্ধি পাইছে।

চলিত বৰ্ষৰ জুন মাহত চীনত অনুষ্ঠিত হোৱা চাংহাই সহযোগিতা সংস্থা সন্মিলনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ মাজত হোৱা বিস্তৃত আদান-প্ৰদানৰ কথা স্মৰণ কৰি শ্ৰীসিঙে কয়, যে দুয়োজন নেতাই নিয়মীয়াকৈ আলোচনা অব্যাহত ৰাখিছে। ৰাজ নাথ সিঙে আৰু কয়, যে অৰ্থনৈতিক দিশৰ পৰা দেশখনে যোৱা মাহত মস্কোত অনুষ্ঠিত হোৱা বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতাৰ ওপৰত ভাৰত-ৰাছিয়া ৱৰ্কিং গ্ৰুপৰ ২৬ সংখ্যক বৈঠকৰ সফল আয়োজনক আদৰণি জনাইছে। তেওঁ লগতে কয় যে ৰাছিয়া নেতৃত্বাধীন ইউৰেছিয়ান ইকনমিক ইউনিয়নৰ সৈতে মুক্ত বাণিজ্য চুক্তি (এফ টি এ)ৰ আলোচনা আৰম্ভ হোৱাক ভাৰতে আদৰণি জনাইছে।

ইফালে, ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰেই বেলুছ'ভে কয়, যে দুয়োখন দেশে অতি গভীৰ পৰম্পৰাৰে বান্ধ খাই আছে। তেওঁ কয়, যে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ কৌশলগত অংশীদাৰিত্ব আছে আৰু ভাৰতৰ সৈতে এই অংশীদাৰিত্ব দক্ষিণ এছিয়া অঞ্চলৰ ভাৰসাম্য আৰু বিশ্ব নিৰাপত্তাৰ বাবে এক মূল কাৰক।
এই উপলক্ষে প্ৰতিৰক্ষা বাহিনীসমূহৰ মুৰব্বী জেনেৰেল অনিল চৌহান, সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, বায়ুসেনাৰ মুখ্য এয়াৰ মাৰ্শ্বাল অমনপ্ৰীত সিং আৰু নৌসেনাৰ মুখ্য ভাইচ এডমিৰেল দিনেশ ত্ৰিপাঠীও উপস্থিত থাকে।

ooooo

কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰা নতুন শ্ৰম সংহিতাই সমগ্ৰ দেশৰ শ্ৰমিকৰ জীৱিকাত সুস্থিৰতা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি এই নতুন সংস্কাৰে দেশৰ শ্ৰমিকসকলক প্ৰত্যক্ষ সুবিধা প্ৰদান কৰিছে। এই শ্ৰম সংস্কাৰৰ জৰিয়তে চৰকাৰে দেশৰ বিভিন্ন খণ্ডত শ্ৰমিক শাসন ব্যৱস্থা শক্তিশালী কৰিছে। এই সংস্কাৰৰ অধীনত কোনো নিয়োগকাৰীয়ে কৰ্মচাৰীক ন্যূনতম মজুৰিতকৈ কম দৰমহা দিব নোৱাৰিব। সাধাৰণ কৰ্ম সময়ৰ বাহিৰত কৰা কামৰ ক্ষেত্ৰত

নিয়মীয়া মজুৰি হাৰতকৈ দুগুণ ক্ষতিপূৰণ দিব লাগিব। লগতে এই নতুন শ্ৰম সংহিতাই অসংগঠিত শ্ৰমিকসকলৰ বাবে কল্যাণমূলক আঁচনিৰ প্ৰাপ্যতা নিশ্চিত কৰাৰ লগতে স্বাস্থ্য আৰু প্ৰসূতিৰ সুবিধা তথা বৃদ্ধাৱস্থা সুৰক্ষা আদি প্ৰদান কৰিব। তদুপৰি এই সংশোধিত নীতিসমূহ কাৰ্যকৰী হোৱাৰ লগে লগে বাসস্থানৰ পৰা কৰ্মস্থলীলৈ অহা-যোৱা কৰাৰ সময়ত অথবা কৰ্তব্য পালন কৰি উভতি অহাৰ সময়ত যদি কোনো দুৰ্ঘটনা সংঘটিত হয়, তেতিয়া এনে দুৰ্ঘটনাৰ ক্ষতিপূৰণ আদায় দিয়া হ'ব।

ooooo

ৰাজ্যসভাই কালি কেন্দ্ৰীয় আবকাৰি শুল্ক সংশোধনী বিধেয়ক ২০২৫ গ্ৰহণ কৰি লোকসভালৈ ঘূৰাই পঠিওৱাৰ লগে লগে বিধেয়কখনে দুয়োখন সদনৰ অনুমোদন লাভ কৰে। এই বিধেয়কখনৰ জৰিয়তে ১৯৪৪ চনৰ কেন্দ্ৰীয় আবকাৰি শুল্ক আইনৰ সংশোধন কৰিব বিচৰা হৈছে। ইয়াৰ জৰিয়তে বিশেষকৈ চিগাৰেট, চিগাৰ, হোকাত ব্যৱহাৰ কৰা মলা ধপাত, সুগন্ধি ধপাত, জৰ্দাসহ সকলো ধপাতৰ ওপৰত আৰোপিত আবকাৰি শুল্ক আৰু উপকৰ  বৃদ্ধি কৰিব বিচৰা গৈছে। কেন্দ্ৰীয় বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধৰীয়ে কালি লোকসভাত এই বিধেয়কখন উত্থাপন কৰে।

ৰাজ্যসভাত বিধেয়ক সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰ দি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয়, যে চিগাৰেটৰ ওপৰত আৰোপিত বৰ্ধিত শুল্কৰ অংশ ৰাজ্যসমূহৰ সৈতে ভগাই লোৱা হ'ব। তেওঁ কয় যে এয়া কোনো উপকৰ নহয়, বৰং আবকাৰি শুল্কহে। বিত্ত আয়োগৰ পৰামৰ্শ অনুসৰি ৰাজ্যসমূহ মাজত সংগ্ৰহিত ধনৰাশি বিতৰণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমতী সীতাৰমনে লগতে বিধেয়কখনে ধঁপাত খেতিয়কসকলৰ ক্ষতি সাধন নকৰে বুলি আশ্বাস দিয়ে। তেওঁ কয় যে ধঁপাত খেতিয়কসকলক অন্য শস্যৰ খেতি কৰিবলৈ উৎসাহিত কৰাৰ বাবে শস্য বিবিধতা আঁচনিকে ধৰি ভালেমান আঁচনি আছে। ২০১৭-১৮ৰ পৰা ২০২১-২২ বৰ্ষত ধপাতৰ খেতি কৰা ১ দশমিক ১-২ একৰ ভূমিত অন্য খেতি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

আফগানিস্তানত ইনফ্লুয়েঞ্জা আৰু মেনিনজাইটিছৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাত সহায় কৰাৰ উদ্দেশ্যে ভাৰতে দেশখনলৈ প্ৰয়োজনীয় স্বাস্থ্য যতন সাহায্য আগবঢ়াইছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কালি কয়, যে ভাৰতে কাবুললৈ ইনফ্লুয়েঞ্জা আৰু মেনিনজাইটিছৰ ৬৩ হাজাৰ ৭০০ৰো অধিক পালি প্ৰতিষেধক প্ৰদান কৰিছে। শ্ৰীজয়ছোৱালে সামাজিক মাধ্যমযোগে কয়, যে আফগানিস্তানৰ জনস্বাস্থ্য ব্যৱস্থালৈ সহায় আগবঢ়াবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ। ইয়াৰ পূৰ্বে যোৱা ২৮ নৱেম্বৰত ভাৰতে আফগানিস্তানৰ তাৎক্ষণিক চিকিৎসা আৱশ্যকতা পূৰণৰ উদ্দেশ্যে কাবুললৈ ৭৩ টন জীৱনদক্ষী ঔষধ, প্ৰতিষেধক আৰু আৱশ্যকীয় পৰিপূৰক প্ৰেৰণ কৰিছিল।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে কয় যে চৰকাৰে বিদেশত থকা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষা, নিৰাপত্তা, আৰু কল্যাণৰ বাবে সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়ে আৰু অবৈধ অনুপ্ৰৱেশ আৰু মানৱ সৰবৰাহৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত আমেৰিকাৰ কৰ্তৃপক্ষৰ সৈতে জড়িত হৈ আছে। ৰাজ্যসভাত কালি ড° জয়শংকৰে কয় যে ভাৰতীয় নাগৰিকক বিতাড়নৰ সৈতে জড়িত সকলো বিষয়তে ভাৰতে আমেৰিকাৰ সৈতে ঘনিষ্ঠ

সমন্বয়ৰে কাম কৰে। তেওঁ সদনক অৱগত কৰে যে ২০০৯ চনৰ পৰা মুঠ ১৮ হাজাৰ ৮২২ ভাৰতীয় নাগৰিকক ভাৰতলৈ বিতাড়িত কৰা হৈছে। তেওঁ লগতে প্ৰকাশ কৰে যে চলিত বৰ্ষৰ জানুৱাৰী মাহৰ পৰা মুঠ ৩,২৫৮ জন ভাৰতীয় নাগৰিকক আমেৰিকাই ভাৰতলৈ বিতাড়িত কৰিছে আৰু ইয়াৰে দুহেজাৰৰো অধিক ব্যক্তিক নিয়মীয়া বাণিজ্যিক বিমানেৰে বিতাড়িত কৰা হৈছে।

ড° জয়শংকৰে কয় যে, ৫ ফেব্ৰুৱাৰীত বিতাড়ন বিমানৰ পিছত মহিলা আৰু শিশুক শিকলিৰে বান্ধি ৰখাৰ কোনো দৃষ্টান্তএই মন্ত্ৰালয়ৰ দৃষ্টিগোচৰ হোৱা নাই। তেওঁ অৱগত কৰে যে উভতি অহা বিতাড়িতসকলে দিয়া হিচাপ আৰু সাক্ষ্যৰ ভিত্তিত কেন্দ্ৰীয় আৰু নিজ নিজ ৰাজ্য চৰকাৰে কেইবাটাও গোচৰ পঞ্জীয়ন কৰিছে। তেওঁ কয়, এই ৰেকেট চলোৱা কেইবাটাও অবৈধ অনুপ্ৰৱেশ এজেণ্ট, অপৰাধমূলক সুবিধা প্ৰদানকাৰী আৰু মানৱ সৰবৰাহৰ ছিণ্ডিকেটৰ বিৰুদ্ধে তদন্তৰ লগতে ব্যৱস্থা গ্ৰহণ চলি আছে।

০০০০০

**সমাপ্ত**